# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-07-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
--------------------

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৭৮ বছৰত ভৰি দিছে। এই উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি পুৰা বিভাগটোৰ লবীত কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ স্থাপন কৰা হয়। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰকেইখন আজি আনুষ্ঠানিকভাৱে অনাবৰণ কৰা হয়। অষ্ট সপ্ততিতম প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে।

প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত ‘ওপজা দিনৰ সুবাস’ শীৰ্ষক এটা সংগীতানুষ্ঠানৰ আয়োজন কৰিছে। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিলীপ দাসৰ গীত আৰু আলাপ, ডম্বৰুধৰ পাঠক আৰু জবা দাসৰ লোকগীত, উৎপল বৰাৰ মেন্দোলিন বাদন আৰু ৰঙিয়াৰ সমন্বয়ী কলাকেন্দ্ৰৰ শিল্পীসকলৰ নৃত্যানুষ্ঠান পৰিৱেশন কৰা হ’ব। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি আকাশবাণী গুৱাহাটীৰ প্ৰাচীৰ পত্ৰিকা **আকাশী স্পন্দনৰ** ষষ্ঠ বৰ্ষৰ একাদশ সংখ্যা আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। **আকাশী স্পন্দনৰ** এইবাৰৰ সংখ্যা গণশিল্পী দিলীপ শৰ্মাৰ জন্ম শতবৰ্ষ বিশেষ সংখ্যাৰূপে প্ৰকাশ কৰা হয়। আকাশবাণী গুৱাহাটীৰ কথাশিল্প অনুষ্ঠানত প্ৰচাৰ কৰা ড০ ৰুবুল মাউটৰ **মোৰো এটা সপোন আছে** গ্ৰন্থখনৰ ধাৰাবাহিক পাঠৰ শীৰ্ষ গীত দুটিৰ লিৰিকেল ভিডিঅ’ আজি মুকলি কৰা হয়। বিশিষ্ট গীতিকাৰ কীৰ্তি কমল ভূঞা আৰু আকাশবাণীৰ অৱসৰপ্ৰাপ্ত সঞ্চালক অৰনী ৰঞ্জন পাঠকে মুকলি কৰা এই গীতৰ কথা ইউৰেকা কাকতি আৰু গহনা চক্ৰৱৰ্তীৰ আৰু সুৰ বৰষা বৰাৰ। সুকন্যা কাশ্যপ মহন্ত আৰু বৰষা বৰাই কণ্ঠ নিগৰোৱা গীত দুটিৰ সংগীত মনদীপ মহন্ত আৰু হিৰকজ্যোতি নাথৰ। ডিজিটেল আৰ্ট শংকৰ ভৰালীৰ। এনিমেশ্যন, এডিটিং উদ্দীপ্ত ভট্টাচাৰ্যৰ আৰু প্ৰযোজনা কৰিছে ইন্দ্ৰজিৎ দাসে।

আজিৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৱিৱিধ ভাৰতী শাখাত অসমীয়া অনুষ্ঠানৰ প্ৰচাৰ পুনৰ আৰম্ভ কৰিছে। শ্ৰোতাসকলে ১০০ দশমিক ৮ মেগাহাৰ্টজত এই শাখাৰ অনুষ্ঠানসমূহ শুনিব পাৰিব। ইয়াৰ উপৰিও আজিৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই সাদিনীয়া নাট মহোৎসৱৰ আয়োজন কৰিছে। নাট শৃংখলাত আজি সূৰ্যৰ পৰিচালনাত ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ **ৰাৱন** শীৰ্ষক নাটকখন প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত আয়োজন কৰা **ওপজা দিনৰ সুবাস** অনুষ্ঠানটো ইয়াৰ মহাবাহু শাখাত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ’ব। এই পোনপটীয়াকৈ প্ৰচাৰৰ বাবে আমাৰ আজি সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰিত হ’বলগীয়া অসমীয়া বাতৰি সন্ধিয়া ৬ বাজি ২০ মিনিটত প্ৰচাৰিত হ’ব।

০০০০০

সমগ্ৰ শিক্ষা অসমৰ কামৰূপ মহানগৰ জিলা মিছন সমন্বয়কে বিদ্যালয়ৰ গৰম বন্ধৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কেতবোৰ গৃহকৰ্ম প্ৰদান কৰিছে। কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত সকলো চৰকাৰী,

প্ৰাদেশিকীকৃত আৰু ব্যক্তিগত বিদ্যালয়ৰ মুৰব্বীলৈ এই সন্দৰ্ভত জাৰি কৰা এটা নিৰ্দেশনা অনুসৰি গৰম বন্ধৰ সময়ছোৱাত প্ৰথমৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে পিতৃৰ পৰা আৰম্ভ কৰি চাৰি পুৰুষৰ বংশবৃক্ষ অংকন কৰিব লাগিব। একেদৰে ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ ককাক-আইতাকৰ জীৱন পৰিক্ৰমাৰ ওপৰত লিখিবলৈ কোৱা হৈছে। নিৰ্দেশনাত উল্লেখ কৰা অনুসৰি যুগুত কৰা প্ৰশ্নৰ ভিত্তিত পৰিয়ালৰ কোনো এগৰাকী সদস্যৰ সাক্ষাৎকাৰ গ্ৰহণ কৰি টোকা লিখা, পিতৃ-মাতৃত দৈনন্দিন কাম-কাজত সহায় কৰা আৰু ইয়াৰ পৰা লাভ কৰা শিকনি সন্দৰ্ভত টোকা লিখা, মাতৃ বা পৰিয়ালৰ আন সদস্যৰ পৰা ৰন্ধন প্ৰণালীৰ বিষয়ে শিকা আৰু তাৰ ভিত্তিত নিজাববীয়াকৈ এখন ব্যঞ্জন পুথি যুগুত কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক কোৱা হৈছে। তদুপৰি, দৈনন্দিন জীৱনত প্ৰয়োগ কৰিবলগীয়া ভাল অভ্যাস আৰু আচৰণৰ সম্পৰ্কে প্ৰথমৰ পৰা পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক দহৰ পৰা ১৫ শাৰী বাক্য লিখিবলৈ নিৰ্দেশনাত উল্লেখ কৰা হৈছে। গৰম বন্ধ খোলাৰ পাছত এই গৃহকৰ্মসমূহ যাতে ছাত্ৰ-ছাত্ৰীসকলে সময় মতে দাখিল কৰে সেয়া সুনিশ্চিত কৰিবলৈ বিদ্যালয় প্ৰধানসকলক জিলা মিছন সমন্বয়কে নিৰ্দেশ দিছে।

ooooo

ৰাজ্যৰ কেইবাখনো জিলাত আজি নিষিদ্ধ গো-মাংসৰ সন্ধানত আৰক্ষী, জিলা প্ৰশাসন আৰু জিলা পশু চিকিৎসা বিভাগে অভিযান চলায়। বৰপেটা আৰক্ষীয়ে জিলাখনৰ ৪খন হোটেলত অভিযান চলাই বৃহৎ পৰিমাণৰ নিষিদ্ধ গো-মাংস জব্দ কৰে। আইন উলংঘা কৰি গো-মাংস বিক্ৰী চলাই থকা এই চাৰিওখন হোটেলৰ পৰা আইন ভংগৰ অভিযোগত বৰপেটা আৰক্ষীয়ে চাৰিজন লোকক আটক কৰে। হোটেল কেইখনৰ বিৰুদ্ধে অসম পশুধন সংৰক্ষণ আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত